# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-05-2024
**Time :** 0900 Hrs

## *Assamese Morning Bulletin*
## HEADLINES

১। লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে আজি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি। বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান তুংগত।

২। উত্তৰ-পূৰ্ব ৰাজ্যসমূহৰ পৰ্যটন ক্ষেত্ৰৰ উন্নয়নৰ বাবে গঠন কৰা কাৰ্য বাহিনীৰ পঞ্চমখন বৈঠক কালি নতুন দিল্লীত অনুষ্ঠিত।

৩। ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশমৰ্মে ৰাজ্যৰ অন্যান্য জিলাৰ লগতে চিৰাং, বঙাইগাঁও জিলাতো আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত আজি চিৰাং, বঙাইগাঁও আৰু অভয়াপুৰীৰ মহকুমা ন্যায়ালয়ৰ চৌহদত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন।

৪। অহা ১৪ মে'ৰ পৰা ২৫ মে'লৈ অনুষ্ঠিত হ'বলগীয়া ৭৭ সংখ্যক কাঁ চলচ্চিত্ৰ মহোৎসৱত ভাৰতৰ অংশগ্ৰহণ।

**আৰু**

৫। যোৱানিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট টাইটানছে চেন্নাই ছুপাৰ কিংছক ৩৫ ৰানত পৰাস্ত কৰে। আজি কলকাতাৰ ইডেন গাৰ্ডেনছত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখী।

ooooo

লোকসভা নিৰ্বাচনৰ চতুৰ্থ পৰ্যায়ৰ বাবে আজি বিয়লি প্ৰচাৰ অভিযানৰ সামৰণি পৰিব। এই পৰ্যায়ত সোমবাৰে দেশৰ ১০খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৯৬টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। প্ৰচাৰৰ সামৰণি পৰিবলৈ মাজত কেইঘণ্টামান বাকী থকা পৰিপ্ৰেক্ষিতত বিভিন্ন দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে অন্তিম প্ৰয়াস চলোৱা পৰিলক্ষিত হৈছে।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি হায়দৰাবাদৰ এল বি ষ্টেডিয়ামত এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে। শ্ৰীমোদীয়ে কয় যে, বিজেপিয়ে বিগত ১০ বছৰত ভালেমান সমস্যা সমাধান কৰাৰ নিদৰ্শন আছে। ইয়াৰ বিপৰীতে কংগ্ৰেছৰ পূৰ্বৰ কাৰ্যকালসমূহত পৰিয়াল কেন্দ্ৰিক ৰাজনীতি আৰু দুৰ্নীতিৰ ইতিহাস আছে। তেওঁ লগতে জনসাধাৰণক ভোটদানৰ বাবে দল বাছনি কৰাৰ ক্ষেত্ৰত সতৰ্ক হৈ থাকিবলৈ আহ্বান জনায়। ভাষণ প্ৰসংগত শ্ৰীমোদীয়ে অহা ৪ জুনত দেশ বিজয়ী হ'ব বুলি মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, যিসকলে তিনি তালাক প্ৰথাৰ বিৰোধিতা কৰিলে সেইসকল জয় হোৱা উচিত আৰু যিসকলে ৩৭০ নম্বৰ অনুচ্ছেদৰ প্ৰত্যাহাৰৰ বিৰোধিতা কৰিছে তেওঁলোক পৰাজিত হোৱা উচিত। তেওঁ কয় যে, ভাৰত মহাকাশ অৰ্থনীতিৰ দৰে সকলো ক্ষেত্ৰতে শক্তিশালী হৈ উঠিছে আৰু এয়াই মোদীৰ প্ৰদৰ্শনৰ নিদৰ্শন। কংগ্ৰেছ ক্ষমতালৈ আহিলে সন্ত্ৰাসবাদ পুনৰ মূৰ দাঙি উঠিব আৰু দলটোৱে জাতি-ধৰ্ম-অঞ্চলৰ নামত

দেশক বিভাজিত কৰি আহিছে বুলি প্ৰধানমন্ত্ৰীগৰাকীয়ে অভিযোগ উত্থাপন কৰে। ইপিনে, কংগ্ৰেছৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি তেলেংগানাৰ নাকৰেকলত প্ৰচাৰ চলায়। নেতাগৰাকীয়ে ভোট বিচৰাৰ সময়ত নিৰ্বাচনী ইস্তাহাৰৰ বিষয়ে উল্লেখ নকৰা বাবে বিজেপিক তীব্ৰ সমালোচনা কৰে। বি আৰ এছৰ মুৰব্বী কে চন্দ্ৰশেখৰ ৰাৱে কালি বিয়লি চিৰচিলাত এটা ৰোড শ্ব'ত ভাগ লয় আৰু ছিদ্দিপেটত এখন নিৰ্বাচনী সভাতো অংশগ্ৰহণ কৰে।

ইফালে, কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে কালি ঝাৰখণ্ডৰ খুমতিৰ কচহৰিত দলীয় প্ৰাৰ্থী তথা কেবিনেট মন্ত্ৰী অৰ্জুন মুণ্ডাৰ হকে প্ৰচাৰ চলায়। আই এন ডি আই মিত্ৰজোঁটক সমালোচনা কৰি বিজেপি নেতাগৰাকীয়ে কয় যে, সুবিধাবাদী মিত্ৰজোঁটটোৱে জনজাতীয় লোকৰ বাবে একোৱেই কৰা নাই। তেওঁ কয় যে, প্ৰাক্তন প্ৰধানমন্ত্ৰী অটল বিহাৰী বাজপেয়ীয়ে ঝাৰখণ্ড গঠন কৰিছিল আৰু বৰ্তমানৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজ্যখনৰ উন্নয়নৰ হকে কাম কৰি আছে। প্ৰতিৰক্ষা মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা ৰাজনাথ সিঙেও কালি ঝাৰখণ্ডৰ ডুমকাত দলীয় প্ৰাৰ্থী সীতা চোৰেনৰ হকে প্ৰচাৰত ভাগ লয়। তেওঁ লগতে গোড্ডাত বিজেপি প্ৰাৰ্থী নিশিকান্ত ডুবেৰ হৈ এটা ৰোড শ্ব'টো অংশ লয়। এই উপলক্ষে দিয়া ভাষণত শ্ৰীসিঙে কেন্দ্ৰীয় চৰকাৰে জনসাধাৰণৰ কল্যাণৰ বাবে লোৱা বিভিন্ন পদক্ষেপৰ কথা উল্লেখ কৰে। উত্তৰ প্ৰদেশতো প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ যাদৱ আৰু কংগ্ৰেছৰ প্ৰাক্তন সভাপতি ৰাহুল গান্ধীয়ে কালি কন্নৌজ আৰু কাণপুৰত যুটীয়াভাৱে দুখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। ৰাহুল গান্ধীয়ে বিজেপিক সমালোচনা কৰি কয় যে, কংগ্ৰেছ দল ক্ষমতালৈ আহিলে খেতিয়কসকলে দৰিদ্ৰ সীমাৰেখাৰ ওপৰলৈ নহালৈকে তেওঁলোকক বিত্তীয় সাহায্য প্ৰদান কৰা হ'ব। আম আদমী পাৰ্টীৰ নেতা সঞ্জয় সিঙেও আই এন ডি আই মিত্ৰজোঁটৰ হকে নিৰ্বাচনী সভাত ভাষণ দিয়ে। পাছত ৰাহুল গান্ধীয়ে লক্ষ্ণৌৰ ইন্দিৰা গান্ধী প্ৰতিষ্ঠানত সংবিধান সন্মিলনত অংশ লয়। আনহাতে প্ৰিয়ংকা গান্ধীয়ে কালি আমেথি সমষ্টিত প্ৰচাৰ চলায়। তেওঁ বিজেপিক সমালোচনা কৰি কয় যে, ১০ বছৰ ধৰি দেশত শাসন কৰা সত্বেও দলটোৱে ক'ব পৰাকৈ কোনো বিশেষ কাম কৰা নাই। বিজেপিৰ জ্যেষ্ঠ নেতা তথা ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে কালি গোৰখপুৰ আৰু বাহৰেইচত নিৰ্বাচনী সভাত ভাগ লয়। তেওঁ কয় যে, এইবাৰৰ নিৰ্বাচন উন্নত আৰু আত্মনিৰ্ভৰ ভাৰত বাছনি কৰাৰ নিৰ্বাচন।

ইপিনে, বহুজন সমাজপাৰ্টীৰ মুৰব্বী মায়াৱতীয়ে কালি কাণপুৰত কেইবাখনো নিৰ্বাচনী সভাত অংশ লয়।

০০০০০

উত্তৰ-পূৰৰ ৰাজ্যসমূহৰ পৰ্যটন ক্ষেত্ৰৰ উন্নয়নৰ বাবে গঠন হোৱা কাৰ্য বাহিনীৰ পঞ্চমখন বৈঠক কালি নতুন দিল্লীত অনুষ্ঠিত হৈ যায়। এই বৈঠকত পৰ্যটন বিকাশৰ বাবে সামৰ্থ বিকাশ, প্ৰশিক্ষণ নীতি, বিপণন আৰু প্ৰচাৰৰ সন্দৰ্ভত বিশেষ গুৰুত্ব আৰোপ কৰা হয়। বৈঠকখনত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, মণিপুৰ, মিজোৰাম, নাগালেণ্ড, ছিকিম আৰু ত্ৰিপুৰাৰ শীৰ্ষ বিষয়াসকলে অংশগ্ৰহণ কৰে। তদুপৰি বৈঠকত কেন্দ্ৰীয় মন্ত্ৰালয়ৰ প্ৰতিনিধি ভাৰতীয় উদ্যোগ সংঘ আৰু অন্যান্য ব্যক্তিগত খণ্ডৰ প্ৰতিনিধিও উপস্থিত থাকে।

০০০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকাৰীৰ নিৰ্দেশমৰ্মে ৰাজ্যৰ অন্যান্য জিলাৰ লগতে বঙাইগাওঁ জিলাতো আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত আজি বঙাইগাওঁ আৰু অভয়াপুৰীৰ মহকুমা ন্যায়ালয় চৌহদত ৰাষ্ট্ৰীয় লোক আদালতৰ আয়োজন কৰা হৈছে। এই লোক আদালতত বিশেষ কেতবোৰ গোচৰ নিষ্পত্তিৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মীমাংসা হ'ব পৰা ফৌজদাৰী গোচৰ বা মোকৰ্দমা, মটৰ দুৰ্ঘটনাৰ ক্ষতিপূৰণ সম্বন্ধীয় গোচৰ, দেৱানী গোচৰ, বেংকৰ ঋণ আদায় সম্বন্ধীয় গোচৰ আৰু বিজুলী বিল আদায় আদি বিষয়ক গোচৰসমূহ আজিৰ লোক আদালতত নিষ্পত্তিৰ বাবে গ্ৰহণ কৰা হ'ব।

ইফালে চিৰাং জিলাতো আজি দিনৰ চাৰে ১০ বজাৰ পৰা কাজলগাঁওস্থিত জিলা ন্যায়িক আদালত চৌহদ আৰু বিজনী মহকুমা ন্যায়িক আদালত চৌহদত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। এই লোক আদালতত ফৌজদাৰী গোচৰ, দেৱানী গোচৰ, পাৰিবাৰিক গোচৰ, ৰাজহ সংক্ৰান্তীয় গোচৰৰ লগতে পথ দুৰ্ঘটনা, বিভিন্ন বেংকৰ ঋণ আদি বিভিন্ন গোচৰ ব্যয়হীনভাৱে খৰতকীয়াকৈ নিষ্পত্তিৰ ব্যৱস্থা কৰা হ'ব।

ooooo

আজি বিশ্ব পক্ষী দিৱস। ৰাজ্যিক পক্ষী সুৰক্ষা পৰিষদৰ উদ্যোগত আজি ২০ সংখ্যক বিশ্ব পক্ষী দিৱস উদযাপন কৰা হৈছে। এই উপলক্ষে পৰিষদে চানমাৰিৰ পেঞ্চনাৰ ভৱনত বিস্তৃত কাৰ্যসূচীৰে পক্ষী দিৱস উদযাপনৰ আয়োজন কৰিছে। সেই অনুসৰি আজি পতাকা উত্তোলন, স্মৃতি তৰ্পণ, গছ পুলি ৰোপন, পক্ষী আৰু প্ৰকৃতি সম্বন্ধে লিখা স্ব-ৰচিত কবিতা পাঠ আৰু গীত-মাতৰ অনুষ্ঠান অনুষ্ঠিত হ'ব। আনহাতে দুপৰীয়া অনুষ্ঠিত হ'বলগীয়া মুকলি সভা তথা পক্ষী আৰু প্ৰকৃতি বিষয়ক আলোচনা চক্ৰত মুখ্য অতিথি হিচাপে শিক্ষাবিদ ড° দয়ানন্দ পাঠককে ধৰি বহুসংখ্যক লোকে অংশগ্ৰহণ কৰিব।

ooooo

অহা ১৪ মে'ৰ পৰা ২৫ মে'লৈ অনুষ্ঠিত হ'বলগীয়া ৭৭ সংখ্যক ফ্ৰান্সৰ কাঁ চলচ্চিত্ৰ মহোৎসৱত ভাৰতে অংশগ্ৰহণ কৰিব। এই চলচ্চিত্ৰ মহোৎসৱত **ভাৰত পৰ্ব** নামৰ এটা বিশেষ অনুষ্ঠান উদযাপন কৰা হ'ব। নেচনেল ইনষ্টিটিউট অৱ ডিজাইন আহমেদাবাদে এই বছৰৰ থীম **ক্ৰিয়েটিভ ইণ্ডিয়া** প্ৰস্তুত কৰাৰ বাবে **দা সূত্ৰধাৰা**ৰ পৰা অনুপ্ৰাণিত বুলি প্ৰকাশ কৰিছে। প্ৰায় ৩০ বছৰ পাছত পায়েল কাপাডিয়াৰ **অল উই ইমাজিন এচ লাইট** ভাৰতীয় ছবিখন প্ৰতিযোগিতা শাখাত মনোনীত হৈছে।

ooooo

আমেৰিকাৰ ইউনিভাৰ্চিটী অৱ জৰ্জিয়াৰ ইংৰাজী বিভাগৰ সহযোগী অধ্যাপক তথা ক্ৰিয়েটিৱ ৰাইটিং কাৰ্যক্ৰমৰ সঞ্চালক আৰুণি কাশ্যপলৈ ২০২৪-২৫ বৰ্ষৰ হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ ৰেডক্লিফ ফেল'শ্বিপ আগবঢ়োৱা হৈছে। এই সন্মান লাভ কৰা আৰুণি কাশ্যপ হৈছে প্ৰথমগৰাকী অসমীয়া।

উল্লেখযোগ্য যে হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ৰ ৰেডক্লিফ ইনষ্টিটিউট অৱ এডভান্সড ষ্টাডিয়ে প্ৰত্যেক বছৰে নিজৰ ক্ষেত্ৰখনলৈ অসামান্য অৱদান আগবঢ়োৱা ৫০ গৰাকী ব্যক্তিক এই সন্মান প্ৰদান কৰি আহিছে। বৰ্তমানলৈ বিশ্ববিদ্যালয়খনে ১৫০০ ব্যক্তিক এই সন্মান প্ৰদান কৰিলেও উপন্যাস-গল্প-কবিতাৰ শাখাত মাত্ৰ ৭৯ গৰাকী ব্যক্তিয়েহে এই বিৰল সন্মান লাভ কৰিছে। ইয়াৰে ভিতৰত নাইজেৰিয়াৰ বিশ্ববিখ্যাত ঔপন্যাসিক আৰু মেক আৰ্থাৰ জিনিয়াছ সন্মান তথা অৰেঞ্জ প্ৰাইজৰ ৱিমেনছ ৰাইটিং বঁটা লাভ কৰা চিমানমান্দা এডিচি, পুলিটজাৰ বঁটাপ্ৰাপক জেৰিক' ব্ৰাইন ইত্যাদিও আছে। এই বিৰল সন্মান লাভ কৰা এতিয়ালৈ একমাত্ৰ অসমীয়া আৰুণি কাশ্যপৰ **দা হাউছ ৱিথ এ থাউজেণ্ড ষ্ট'ৰিছ** শীৰ্ষক উপন্যাসৰ লগতে কবিতা সংকলন **ডেয়াৰ ইজ ন'**

**গুড টাইম ফৰ বেড নিউজ** আৰু **হিছ ফাডাৰ্ছ ডিজিজ** নামৰ গল্প সংকলনে দেশে বিদেশে পঢ়ুৱৈৰ সমাদৰ লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০

বিশ্ব ঐতিহ্যক্ষেত্ৰ কাজিৰঙা উদ্যানৰ দুৱাৰ অহা ১৫ মে'ৰ পৰা দেশী-বিদেশী পৰ্যটকৰ বাবে বন্ধ কৰা হ'ব। বিগত বৰ্ষৰ ১৫ অক্টোবৰত মুকলি হোৱা ২০২৩-২৪ পৰ্যটন বৰ্ষৰ অহা ১৫ মে'ত অন্ত পৰিব। ইতিমধ্যে যোৱা পহিলা মে'ৰ পৰা উদ্যানখনত হাতী চাফাৰী বন্ধ কৰি দিয়া হৈছে। ২০২৩-২৪ পৰ্যটন বৰ্ষত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰিবলৈ সক্ষম হয়। এই পৰ্যটন বৰ্ষটোত বৰ্তমানলৈকে ৩০ হাজাৰ ৯১৯ গৰাকী বিদেশী পৰ্যটককে ধৰি ৩ লাখ ২৭ হাজাৰ ৪৯০ গৰাকী পৰ্যটকে কাজিৰঙা ভ্ৰমণ কৰাৰ তথ্য লাভ কৰা হৈছে। এই সময়ছোৱাত উদ্যান কৰ্তৃপক্ষই ৮ কোটি ৮০ লাখ টকাৰ ৰাজহ লাভ কৰিছে।

০০০০০

ঐতিহ্যমণ্ডিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মহাৰজত জয়ন্তী বৰ্ষৰ সামৰণি উৎসৱ কালিৰে পৰা দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। কালি পুৱা অসমীয়া বিভাগৰ বিভাগীয় প্ৰধান অধ্যাপক কনক চন্দ্ৰ চহৰীয়াই মহাৰজত জয়ন্তীৰ শিখা প্ৰজ্বলন কৰে। অসমীয়া বিভাগৰ শিক্ষক আৰু প্ৰাক্তন শিক্ষাৰ্থীসকলে মহাৰজত জয়ন্তী উপলক্ষে ৭৫ খন পতাকা উত্তোলন কৰে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি আয়োজন কৰা গ্ৰন্থমেলাৰ দ্বাৰ অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড° উপেন্দ্ৰজিৎ শৰ্মাই মুকলি কৰে। অনুষ্ঠানটোত **অসম ভাষা সাহিত্য সংস্কৃতি**লৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱদান শীৰ্ষক মূল বক্তৃতা প্ৰদান কৰে অধ্যাপক ভৱানীপ্ৰসাদ অধিকাৰীয়ে।

০০০০০

ৰাজ্যসভাৰ নৱ নিৰ্বাচিত সদস্য প্ৰফুল্ল পেটেলে কালি সংসদ ভৱনত শপতগ্ৰহণ কৰে। এই উপলক্ষে ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড় আৰু ৰাজ্যসভাৰ উপ সভাপতি হৰিবংশ সিং আৰু মহাসচিব পি কে মোদী উপস্থিত থাকে। সামাজিক মাধ্যম এক্সৰ জৰিয়তে শ্ৰীপেটেলে কয় যে, ৰাজ্যসভাৰ সভাপতি জগদীপ ধনখড়ৰ উপস্থিতিত সাংসদ হিচাপে শপতগ্ৰহণ কৰাটো অত্যন্ত সন্মানৰ বিষয়। তেওঁ দেশৰ কল্যাণৰ বাবে এক অৰ্থপূৰ্ণ অৱদান আগবঢ়াবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলিও প্ৰকাশ কৰিছে।

০০০০০

ভাৰতীয় ৰে'লৱেৰ এটা সূত্ৰই উত্তৰ-পূৰ সীমান্ত ৰে'লৱেৰ নিউ জলপাইগুৰি ষ্টেচনৰ পৰা **ভাৰত গৌৰৱ পৰ্যটন বিশেষ ৰে'ল** চলোৱাৰ কথা ঘোষণা কৰিছে। আই আৰ চি টিৰ দ্বাৰা পৰিচালিত এই ৰে'লখন অহা ১৮ মে' তাৰিখে নিউ জলপাইগুৰিৰ পৰা যাত্ৰা আৰম্ভ কৰিব। ৰে'লখনে ভ্ৰমণ কাৰ্যসূচীত মাতা বৈষ্ণোদেৱী, হৰিদ্বাৰ, ঋষিকেশ, মথুৰা, বৃন্দাবন আৰু অযোধ্যাৰ দৰে গুৰুত্বপূৰ্ণ গন্তব্য স্থানসমূহ সামৰি ল'ব। এই বিশেষ পৰ্যটন ৰে'লখনে ৯ দিনীয়া কাৰ্যসূচীৰে ভ্ৰমণ কৰি ২৬ মে' তাৰিখে যাত্ৰা সমাপ্ত কৰিব। ভাৰত গৌৰৱ পৰ্যটক ৰে'ল হৈছে ভ্ৰমণ উৎসাহীসকলৰ বাবে প্ৰথম পৰ্যটন বিশেষ ৰে'ল আৰু ভাৰত চৰকাৰৰ এক **ভাৰত শ্ৰেষ্ঠ ভাৰত, দেখো আপনা দেশ**ৰ সৈতে সংগতি ৰখা এটা পদক্ষেপ।

০০০০০

কংগ্ৰেছ নেতা ছেম পিট্ৰ'দাই উত্তৰ-পূবৰ লোকসকলৰ সন্দৰ্ভত কৰা বিতৰ্কিত মন্তব্যৰ বিৰুদ্ধে ভাৰতীয় জনতা পাৰ্টীয়ে কালি নাগালেণ্ডৰ ডিমাপুৰত এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। উল্লেখযোগ্য যে, কংগ্ৰেছ নেতাগৰাকীয়ে উত্তৰ-পূবৰ লোকসকল চীনা মানুহৰ দৰে বুলি মন্তব্য কৰিছিল। সমান্তৰালকৈ ভাৰতৰ বিভিন্ন

প্ৰান্তৰ লোকসকলক আৰৱ, ইউৰোপ আৰু আফ্ৰিকাৰ মানুহৰ সৈতে সাদৃশ্য থকা বুলি কৈছিল। ইয়াৰ বিৰুদ্ধে নাগালেণ্ডৰ ডিমাপুৰৰ মাৰোৱাৰীপট্টিত বিজেপিৰ নেতা-কৰ্মী, সমৰ্থকসকলে প্ৰতিবাদ সাব্যস্ত কৰে। নাগালেণ্ড বিজেপিৰ মুখপাত্ৰ মোঘভিজ ছিচিয়ে কংগ্ৰেছক সমালোচনা কৰি কয় যে, পিট্ৰ'দাৰ বক্তব্যই ভাৰতৰ সাধাৰণ লোকৰ প্ৰতি কংগ্ৰেছে মনত পুহি ৰখা ধাৰণাক প্ৰতিফলিত কৰিছে। তেওঁ কয় যে, এনে বক্তব্যই কেৱল বিভাজনকাৰী শক্তিসমূহক ইন্ধন যোগোৱাই নহয়, বিভিন্ন শক্তি তথা চুবুৰীয়া ৰাষ্ট্ৰই ইতিমধ্যে ভাৰতক বিভাজনৰ বাবে কৰি থকা অপচেষ্টাকো সাৰ-পানী যোগাইছে। মুখপাত্ৰগৰাকীয়ে ৰাষ্ট্ৰীয় অখণ্ডতাৰ প্ৰতি বিজেপি যে দায়বদ্ধ সেই কথা পুনৰ দোহাৰে। তেওঁ কয় যে, বিজেপিয়ে ভাৰতীয় নাগৰিকসকল বিভাজনৰ পৰিৱৰ্তে একতাৰ দোলেৰে বান্ধিবলৈ সদায় চেষ্টা কৰি আহিছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি কলকাতাৰ ইডেন গাৰ্ডেনছত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ কলকাতা নাইট ৰাইডাৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ইফালে গুজৰাট টাইটানছে যোৱানিশা আহমেদাবাদত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত চেন্নাই ছুপাৰ কিংছক ৩৫ ৰানত পৰাস্ত কৰে। যোৱাবাৰৰ চেম্পিয়ন চেন্নাই ছুপাৰ কিংছে ২৩২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৯৬ ৰানহে সংগ্ৰহ কৰে। চেন্নাইৰ হৈ ডেৰিল মিছেলে সৰ্বাধিক ৬৩ ৰান কৰে। গুজৰাটৰ মোহিত শৰ্মাই তিনিটা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে গুজৰাট টাইটানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেটৰ বিনিময়ত ২৩১ ৰান কৰে। গুজৰাটৰ হৈ অধিনায়ক শুভমন গিলে ৫৫টা বলত ১০৪ ৰান কৰে। ছাই সুদৰ্শনে ৫১টা বলত ১০৩ ৰানৰ বৰঙণি আগবঢ়ায়। শুভমন গিলক প্লেয়াৰ অব দ্যা মেছ হিচাপে ঘোষণা কৰা হয়।

০০০০০

যোৰহাট জিলাৰ তিতাবৰত আজিৰ পৰা সপ্তম সংখ্যক সদৌ অসম পেনচাক ছিলাট চেম্পিয়নশ্বিপ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অসম পেনচাক ছিলাট সংস্থাৰ উদ্যোগত হ'বলগীয়া প্ৰতিযোগিতাখনত খেলুৱৈসকলে কেইবাটাও বিভাগত প্ৰতিদ্বন্দ্বিতা কৰিব। এই প্ৰতিযোগিতাখনৰ পৰাই ১১ জুনৰ পৰা ১৩ জুনলৈ ওড়িশাত হ'বলগীয়া ৰাষ্ট্ৰীয় পেনচাক ছিলাট প্ৰতিযোগিতাৰ বাবে খেলুৱৈ বাচনি কৰা হয়। বাছনিভুক্ত খেলুৱৈসকলক অহা ১৫ মে'ৰ পৰা ৫ জুনলৈ প্ৰশিক্ষণ প্ৰদান কৰা হ'ব বুলি অসম পেনচাক ছিলাট সংস্থাৰ সাধাৰণ সম্পাদক লক্ষ্যজিত দলেই জানিবলৈ দিয়ে।

০০০০০

পেৰিছ্ অলিম্পিকৰ প্ৰতি লক্ষ্য ৰাখি আজি পুৰুষ আৰু মহিলাৰ ২৫ মিটাৰ ৰেপিড ফায়াৰ পিষ্টল অৰ্হতা ৰাউণ্ড আৰম্ভ হ'ব। ৯ দিনীয়া এই প্ৰতিযোগিতাখনত ৮টা অলিম্পিক ৰাইফল আৰু পিষ্টলৰ মুঠ ১৬ খন মেচ অনুষ্ঠিত হ'ব। ১৯ মে' তাৰিখে পুৰুষ আৰু মহিলাৰ ১০ মিটাৰ এয়াৰ ৰাইফলৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

০০০০০

## *News Paper Review*

ৰাজ্যত বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰৰ ৩ বছৰ পূৰ্ণ। ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ কুচ-কাৱাজ আৰু ইয়াৰ পৰিপ্ৰেক্ষিতত সফলতা আৰু বিফলতাৰ তথ্য নিৰ্ভৰ বিশ্লেষণৰে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি পৰিৱেশন কৰিছে **দৈনিক অসম** কাকতে। আবকাৰী বিভাগৰ পৰা চৰকাৰে বুজন পৰিমাণৰ ৰাজহ আদায় কৰাৰ সময়তে ৰাজ্যত সুৰা বিক্ৰীৰ পৰিমাণ হ্ৰাস পোৱা সন্দৰ্ভত **আমাৰ অসম** কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। উচ্চতম ন্যায়ালয়ৰ অন্তৰৰ্তীকালীন জামিন লাভৰ পিছত মুকলি আকাশৰ তললৈ দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল। এই সন্দৰ্ভত ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত বাতৰি প্ৰকাশ কৰিছে **দৈনিক জনমভূমি** কাকতৰ লগতে **দৈনিক অসম, আমাৰ অসম, অসমীয়া প্ৰতিদিন, নিয়মীয়া বাৰ্তা** আৰু **দৈনিক অগ্ৰদূত** কাকতে। মহাৰত্ন কোম্পানী অইল ইণ্ডিয়া লিমিটেডৰ বিৰুদ্ধে কেগৰ প্ৰতিবেদনৰ ভয়ংকৰ তথ্য ফাদিল সন্দৰ্ভত বিভিন্ন দল-সংগঠনৰ প্ৰক্ৰিয়া প্ৰকাশ কৰি এটি গুৰুত্বপূৰ্ণ বাতৰি প্ৰকাশ কৰিছে **দৈনিক জনমভূমি** কাকতে। অনুমোদন হাৰৰ বিপৰীতে জীৱনদায়িনী ঔষধৰ মূল্য অভাৱণীয় হাৰৰ বৃদ্ধি সন্দৰ্ভত এটি বাতৰি প্ৰকাশ কৰিছে **দৈনিক অগ্ৰদূত** কাকতে। শীঘ্ৰে বিলুপ্ত হ'ব ছেবাৰ বৃত্তিমুখী পাঠ্যক্ৰম। অন্তৰ্ভুক্ত হ'ব দক্ষতাৰ শিক্ষা- এই সন্দৰ্ভত শিক্ষামন্ত্ৰীয়ে কৰা ঘোষণাৰ এটি বাতৰি প্ৰকাশ কৰিছে **অসমীয়া প্ৰতিদিন** কাকতে। পশ্চিমবংগৰ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰি অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উত্তৰ-পূবত এন ডি এয়ে ২২ খন আসন লাভ কৰিব বুলি কৰা ঘোষণাৰ বাতৰি **নিয়মীয়া বাৰ্তা** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ডিব্ৰুগড় জিলা কাৰাগাৰত কাৰাবন্দী হৈ থকা খালিস্তানী নেতা অমৃত পালন সিঙে কালি জেলৰ পৰাই লোকসভা আসনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ বাতৰি দি আছাম ট্ৰিবিউন কাকতৰ লগতে দ্যা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

আজি প্ৰকাশিত আন আন বাতৰিৰ ভিতৰত আছে— অসম কৃষি বিশ্ববিদ্যালয় আৰু নতুন দিল্লীৰ শক্তি আৰু সম্পদ প্ৰতিষ্ঠানৰ মাজত সম্পন্ন ১ কোটি গছপুলি ৰোপনৰ বুজাবুজিৰ চুক্তি, কংগ্ৰেছ নেতা মণিশংকৰৰ আয়াৰৰ মন্তব্যত তোলপাৰ দেশৰ ৰাজনীতি, মহিলা মল্লযুঁজাৰু আতিশায্যৰ অভিযোগত বিজেপি সাংসদ ব্ৰীজমোহন চৰণসিঙৰ বিৰুদ্ধে আদালতৰ অভিযোগ আৰোপৰ নিৰ্দেশ। ছত্তিশগড়ত নিৰাপত্তাৰক্ষীৰ সৈতে হোৱা সংঘৰ্ষত পুনৰ ১২ জন মাওবাদী নিহত আৰু ইটানগৰত দেহ ব্যৱসায়ী চক্ৰ উৎখাত ইত্যাদি। এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

ooooo

**সমাপ্ত**